**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এইবাৰ নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ কোটি ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰসাৰগাৰ আৰু বিশেষভাৱে সক্ষমলোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

000000

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান কালি বিয়লি ৫ বজাত সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ সময় উকলি যোৱাৰ পাছত অৰ্থাৎ ছাইলেন্স পিৰিয়ড সন্দৰ্ভত ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, বৈদ্যুতিক মাধ্যম অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। এই সময়ছোৱাত এছ এম এছ, ফোনকল অথবা সামাজিক মাধ্যমৰ জৰিয়তে ভোট বিচৰা কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। মুখ নিৰ্বাচনী বিষয়াগৰাকীয়ে সামাজিক মাধ্যমত এটা বিবৃতিযোগে ভোটদান ভোটদাতাসকলৰ গণতান্ত্ৰিক দেশত মৌলিক কৰ্তব্য বুলি উল্লেখ কৰে।

**বাইট (অনুৰাগ গোৱেল)**

000000

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে আজি বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াকে ধৰি ৭ খন দেশৰ ১৫ গৰাকী প্ৰতিনিধি আৰু নিৰ্বাচন আয়োগৰ ৩ গৰাকী বিষয়াৰে গঠিত দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে কাইলৈ ভোটগ্ৰহণৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০০০

নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীয়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে হেঁপাহৰ ৰঙালী বিহু পালন কৰিবলৈ সাজু হৈছে। বিহুলৈ মাজত ছদিন থকা অৱস্থাত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিভিন্ন অঞ্চলত পৰম্পৰা অনুসৰি বিহু পালনৰ বাবে ৰাইজ সাজু হোৱাৰ সমান্তৰালভাৱে মঞ্চ বিহু উদ্‌যাপনৰো প্ৰস্তুতি চলিছে। বিহু হুঁচৰি, নাচৰ আখৰাৰ লগতে সংগীত শিল্পীসকলেও বিহু মঞ্চত জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে পূৰ্ণগতিত আখৰা চলাইছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু আৰু মুকলি বিহু উদ্‌যাপন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু নাচৰ আখৰা আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কোনো কোনো ঠাইত বিহুৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য মেলা, লোকবাদ্য আদি প্ৰতিযোগিতা আৰু সাজপাৰৰ বিপনী মুকলি কৰা হৈছে।

০০০০০০

**সমাপ্ত**